# শৰাইঘাটীয়া বীৰ লাচিত বৰফুকন

"ধন্য ৰজা, ধন্য মন্ত্ৰী, ধন্য সেনাপতি, ধন্য সেনা। অকল এজন মানুহে সকলো সৈন্য চলায়, ই কি আচৰিত। মই হেন ৰামসিংহ নিজে যুদ্ধৰ সেনাপতি হৈও একোতে সুবিধা নাপাওঁ।" — মোগলৰ সেনাপতি ৰামসিংহৰ এই উক্তিয়ে লাচিতৰ যুদ্ধ পৰিচালনাৰ কাহিনীত যি জাতীয় দায়বদ্ধতা, নিয়মানুবৰ্তিতা আৰু একমুখী কাৰ্যপন্থাৰ এই সকলো বিষয় স্পষ্ট কৰি দিয়ে।

অসমৰ ইতিহাসত দেশপ্ৰেমীক বীৰ বুলি ক'লে বিশেষভাৱে লাচিত বৰফুকনৰ নামেই লোৱা হয়। এই পৰাক্ৰমী লাচিত বৰফুকনৰ জন্ম হয় ১৬১২ খ্ৰীঃত। দিন, বাৰ আৰু স্থান সম্পৰ্কে সঠিক ভাৱে জনা নগ'লেও গড়গাঁৱৰ ওচৰে-পাজৰে বুলি অনুমান কৰা হয়। দেউতাক মোমাই তামুলী বৰবৰুৱাৰ কনিষ্ঠ সন্তান লাচিতৰ তিনিজন ককায়েক হ'ল যথাক্ৰমে — লালুকসোলা, মৰংগী আৰু ভাৰধৰা। সাহসী, স্পষ্টবাদিতা আৰু সততা আছিল লাচিত বৰফুকনৰ বৈশিষ্ট্য। দেউতাকৰ কাজ-কাৰ্যাৱলীক নিৰীক্ষণ কৰিয়েই লাচিতে বহু কথা শিকাৰ সুবিধা পাইছিল।

নিজৰ দক্ষতাৰ বলত অতি সোনকালেই লাচিতে ৰজাঘৰত নিযুক্তি লাভ কৰি প্ৰথম অৱস্থাত 'হাঁচতিধৰা' তামুলীৰ পৰা কম সময়তে ঘোঁৰা বৰুৱা, 'দোলীয়া বৰুৱা আৰু শিমলুগুৰীয়া ফুকনৰ পদত নিযুক্তি লাভ কৰে। মিৰজুমলাৰ অসম আক্ৰমণত দিখৌমুখত হোৱা যুদ্ধত লাচিতৰ পাৰদৰ্শিতাৰ বাবে তথা পৰাক্ৰমৰ উমান পাই সেই সময়ৰ আহোম ৰজা চক্ৰধ্বজ সিংহই লাচিতক বৰসেনাপতি পাতিলে

আৰু বৰফুকন পদত নিযুক্ত কৰিলে।

১৬৬৭ চনৰ ২০ আগষ্টত আহোম-মোগলৰ যুদ্ধ আৰম্ভ হয়। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কাজলীত থকা মোগলৰ দুৰ্গ আহোমে নিজৰ অধীনলৈ আনে। ইটাখুলিত চাউনি পাতি থকা মোগলক আনাই নদী পাৰ কৰি খেদি পঠাই অসমলৈ কাঢ়ি অনা বিজয়ে অসমীয়াক আৰু অধিক আত্মবিশ্বাসী কৰি তুলিলে আৰু সেনাপতি লাচিত বৰফুকনো প্ৰশংসিত হ'ল। মোগল সেনাৰ পৰাজয়ৰ খবৰ শুনি সম্ৰাট ঔৰংজেবে অপমানত তাৰ প্ৰতিশোধ ল'বলৈ ৰামসিংহক নিৰ্দেশ দিলে অসম আক্ৰমণ কৰিবলৈ।

লাচিত বৰফুকনে ভালদৰে উপলব্ধি কৰিছিল যে— শত্ৰু মিমানেই শক্তিশালী নহওক, প্ৰতিজন অসমীয়া সেনা আৰু সেনাপতিয়ে যদি নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰে, তেওঁলোকে মোগলক পৰাভূত কৰিব পাৰিবই। তেওঁ কামাখ্যা গোসানীলৈ সেৱা কৰি এইবুলিও নিৰ্দেশ দিলে যে: "যুদ্ধৰ কামত পাছ হুঁহকিলে মই এই হেংদাঙেৰে তাক দুডোখৰ কৰি কাটিম, পাছতহে স্বৰ্গদেৱক জনাম।" আহোম আৰু মোগলৰ সৰ্বশেষ যুদ্ধখনেই হ'ল শৰাইঘাটৰ যুদ্ধ। ১৬৭১ চনৰ মাৰ্চ মাহৰ শেষ ফালে এই যুদ্ধ আৰম্ভ হৈছিল। লাচিতৰ দীন নৰিয়াৰ বাবে অসমীয়া সৈন্যসকলৰ মনোবল কিছু হ্ৰাস হৈছিল আৰু যুদ্ধ এৰি উজনিলৈ যাবলৈ বিচাৰিছিল। মোগলৰ নাৱৰ সংখ্যা ক্ৰমে বাঢ়ি অহা দেখি লাচিতে বুজিলে যে এক মুহূৰ্তত আৰু দেৰি নকৰি তেওঁ নাও মেলি দিলে আৰু চিঞৰি ক'লে — "অসমীয়া বন্ধুসকল, মই যুঁজিহে মৰিম। চিলা পৰ্বতৰ ওপৰত এটপকা মাটি কিনি থৈছো, তাতে মোৰ শৰীৰ থকা নহ'বা মোক বঙালে ধৰি নি যাওক, তোমালোক সুখেৰে ঘৰলৈ উভতি যোৱা।" — লাচিতৰ এই মৃত্যুপণ

ফলত শৰাইঘাটৰ যুদ্ধত মোগল পৰাজিত হ'ল। ইয়াৰ পিছতে বীৰ লাচিতৰ মৃত্যু হ'ল বুলি অসমৰ চৌপাশে খবৰ বিয়পি পৰাৰ লগে লগে যুদ্ধ জয়ৰ আনন্দত শোকৰ ছাঁ পৰিল।

খ্ৰীষ্টীয় ১৬৭১ চনৰ ৫ এপ্ৰিলত ৰাম-সিংহই গুৱাহাটী এৰি যাত্ৰা আৰম্ভ কৰিলে। হাজো এৰাৰ আগতে ৰামসিংহই হয়গ্ৰীৱ মাধৱ মন্দিৰত পূজা কৰি তাৰ ব্ৰাহ্মণ সকলক কৈ গ'ল — "লাচিত সামান্য বীৰ নহয়। মই একো ঠাইতে ছিদ্ৰ নাপালো।"

শৰাইঘাটৰ যুদ্ধত অসমীয়া সেনাই জয়-লাভ কৰাৰ এটা ডাঙৰ কাৰণ আছিল এই যে — প্ৰতিজন অসমীয়া সেনাই প্ৰয়োজনত নাও বাইছিল, হিলৈও মাৰিছিল, একেজন সেনাই কাঁড়ো মাৰিছিল, গড়ো বান্ধিছিল। গতিকে একোজন সেনা একোটা হাতী। শত্ৰুপক্ষৰ হ'লেও ৰামসিংহই অসমীয়া সেনাৰ এনে কৰ্মপটুতা, সাহস আৰু ৰণকৌশলৰ প্ৰশংসা কৰি কৈছিল — "প্ৰতিজন অসমীয়া সেনা নাও চলোৱা, কাঁড় মৰা, খাৱৈ খন্দা, হিলৈ-কামান মৰা সকলো কামতে পাৰ্গত। এনেদৰে সকলো কামতে পটু সেনা মই ভাৰতত কতো দেখা নাই।" ৰামসিংহই পুনৰ কৈছিল যে — "অসম দেশক জয় কৰা যিকোনো ৰজাৰ বাবেই অসম্ভৱ কথা।"

লাচিত বৰফুকন আৰু তেওঁৰ সহযোগী শৰাইঘটীয়া বীৰ সকলৰ উদাহৰণ কেৱল মাত্ৰ অসমীয়া জাতিৰ কাৰণেই নহয়, সমগ্ৰ ভাৰতীয়ৰ কাৰণেও অনুপ্ৰেৰণা দায়ক। মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ যুদ্ধ পৰি-চালনাৰ কাহিনীত অসমীয়া জাতিয়ে নিজৰ সংগঠন শক্তি, কৰ্তব্যনিষ্ঠা আৰু সাহসিকতাৰ পৰিচয় দিলে — অসমৰ সুৰক্ষিত বুৰঞ্জীত তেনে উদাহৰণ দুষ্প্ৰাপ্য। চাৰি বছৰ ধৰি সমগ্ৰ জাতিয়ে ঐক্যবদ্ধ ভাৱে কাম কৰিছিল।

আনকি বয়োজ্যেষ্ঠ সেনাপতি আৰু ডা-ডাঙৰীয়া সকলতকৈ কম বয়সীয়া বৰ সেনাপতি লাচিত বৰফুকনৰ আদেশ বিনাদ্বিধাই পালন কৰিছিল।

নিঃস্বাৰ্থ দেশপ্ৰেম আৰু সাহসী নেতৃত্বৰ শিক্ষা লবলৈ হ'লে লাচিত বৰফুকনৰ মোগল সংঘৰ্ষৰ কাহিনী সৰ্বকালৰ বাবে জ্বলন্ত নিদৰ্শন হৈ থাকিব।

শৰাইঘাটৰ যুঁজৰ তাৎপৰ্য আৰু বীৰত্বৰ কথা অসমৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব। এই শৰাইঘাটৰ যুঁজত অসমীয়া সৈন্য আৰু সেনাপতিৰ কৰ্মদক্ষতা, সময় অনুযায়ী কৰ্তব্যবোধ, আভ্যন্তৰীণ শৃংখলাৰ প্ৰকাশ আৰু সৰ্বোপৰি গুৰুত্বপূৰ্ণ অদম্য দেশপ্ৰেমৰ চানেকি প্ৰতিফলিত হোৱা দেখা যায়। সেয়েহে জাগ্ৰত অসমীয়া জাতিৰ সময়োপযোগী দায়িত্ববোধ, কৰ্মনিষ্ঠা আৰু যুঁজাৰু মানসিকতাৰ উৎকৃষ্ট নমুনা শৰাইঘাটৰ কাহিনীত উজ্জ্বলি উঠিছে। জাতীয় চৈতন্যক জগাই তুলিবলৈ লাচিত বৰফুকন আৰু শৰাইঘাটৰ কাহিনীয়ে যথেষ্ট, — যাৰ পৰা আমি শিক্ষা ল'ব পাৰো।

শ্ৰী অণিমা বালা নাথ

সহঃ শিক্ষয়িত্ৰী, চেঁকুৰাৰী মজলীয়া বিদ্যালয়

উদালগুৰি

28/30

12/09/2022